**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। প্ৰধানমন্ত্ৰী হিচাপে তৃতীয়বাৰৰ বাবে নৰেন্দ্ৰ মোদীৰ শপত গ্ৰহণ। নতুন মন্ত্ৰীসভাত ৭১ জনক অন্তৰ্ভুক্ত। আজি দপ্তৰ বিতৰণৰ সম্ভাৱনা।

২। ৰাজনাথ সিং, অমিত শ্বাহ, নীতিন গাডকাৰী, ড০ এছ জয়শংকৰকে ধৰি ৩০ গৰাকীক কেবিনেট মন্ত্ৰীৰ দায়িত্ব।

৩। এন ডি এৰ তৃতীয়টো কাৰ্যকালত ভাৰতে শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ হকে একেৰাহে কাম কৰি যাব বুলি প্ৰধানমন্ত্ৰীৰ মত প্ৰকাশ।

৪। কেন্দ্ৰীয় মন্ত্ৰীহিচাপে শপতগ্ৰহণ কৰি দেশমাতৃৰ প্ৰতি সমৰ্পিত সেৱা আগবঢ়াই যাবলৈ দৃঢ় সংকল্পবদ্ধ বুলি সৰ্বানন্দ সোণোৱালৰ মন্তব্য। মন্ত্ৰী হিচাপে শপত লৈ ৰাষ্ট্ৰনিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা প্ৰদানৰ সুযোগ দিয়াৰ বাবে দলৰ নেতৃত্ব আৰু ৰাজ্যবাসীক পৰিত্ৰ মাৰ্ঘেৰিটাৰ কৃতজ্ঞতা জ্ঞাপন। *আৰু*

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি অনুষ্ঠিত এখন খেলত ৬ ৰানত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ জয়।

০০০০০০

এন ডি এৰ সংসদীয় দলৰ নেতা নৰেন্দ্ৰ মোদীয়ে কালি দেশৰ প্ৰধানমন্ত্ৰী হিচাপে তৃতীয়বাৰৰ বাবে শপতগ্ৰহণ কৰে। নতুন দিল্লীত থকা ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে তেওঁক শপতবাক্য পাঠ কৰোৱায়। নতুন কেন্দ্ৰীয় কেবিনেটৰ মন্ত্ৰীসকলেও কাৰ্যালয় আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰে। কালি ৩০ গৰাকী কেবিনেট মন্ত্ৰী, ৫ গৰাকী স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰীকে ধৰি আন ৩৬ গৰাকী ৰাজ্য মন্ত্ৰীয়ে শপতগ্ৰহণ কৰে। বিজেপিৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিং, অমিত শ্বাহ, নীতিন গাডকাৰী, ডং এছ জয়শংকৰ, পীয়ুষ গোৱেল, ধৰ্মেন্দ্ৰ প্ৰধান, নিৰ্মলা সীতাৰমণ আৰু বিজেপিৰ সভাপতি জে পি নাড্ডাই কেবিনেট মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। তদুপৰি জ্যেষ্ঠ বিজেপি নেতা কিৰেণ ৰিজিজু, প্ৰহ্লাদ যোশী, গীৰিৰাজ সিং, অশ্বিনী বৈষ্ণৱ, জ্যোতিৰাদিত্য সিন্ধিয়া, ভূপেন্দ্ৰ যাদৱ, গজেন্দ্ৰ সিং শেখাৱট, অন্নপূৰ্ণা দেৱী, হৰদীপ সিং পুৰী, ডং মনসুখ মান্দাভিয়া, জি কিষাণ ৰেড্ডী, চি আৰ পাটিল, ডং বীৰেন্দ্ৰ কুমাৰ আৰু জুৱেল ওৰামে কেবিনেট মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে।

মধ্যপ্ৰদেশৰ পূৰ্বৰ মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহান, হাৰিয়ানাৰ পূৰ্বৰ মুখ্যমন্ত্ৰী মনোহৰলাল খট্টৰৰ লগতে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা জে ডি এছৰ সাংসদ এইচ ডি কুমাৰাস্বামী, বিহাৰৰ পূৰ্বৰ মুখ্যমন্ত্ৰী তথা এইচ এ এম দলৰ মুৰব্বী জিতেন ৰাম মাঝি, জে ডি ইউৰ সাংসদ ৰাজীৱ ৰঞ্জন সিং, টি ডি পিৰ সাংসদ কিঞ্জাৰাপু ৰাম মোহন নাইডু আৰু এল জে পি ৰামবিলাসৰ নেতা চিৰাগ পাছোৱানে

মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। বিজেপিৰ নেতা ৰাও ইন্দৰজিৎ সিং, ডং জিতেন্দ্ৰ সিং, অৰ্জুন ৰাম মেঘৱাল তথা শিৱসেনাৰ প্ৰতাপ ৰাও যাদৱ আৰু আৰএলডিৰ মুৰববী জয়ন্ত চৌধুৰীয়ে ৰাজ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে।

এই শপতগ্ৰহণ অনুষ্ঠানত কেইবাখনো দেশৰ ৰাষ্ট্ৰপ্ৰধান উপস্থিত থাকে। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি ৰাণিল ৱিক্ৰেমেসিংঘে, মালদ্বীপৰ ৰাষ্ট্ৰপতি ডং মহম্মদ মুইজ্জু, চিচিলিৰ উপ-ৰাষ্ট্ৰপতি আহমেদ আফিফ, বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাচিনা, মৰিছাছৰ প্ৰধানমন্ত্ৰী প্ৰবীন্দ কুমাৰ জুগনৌথ, নেপালৰ প্ৰধানমন্ত্ৰী পুষ্পকমল দাহাল প্ৰচণ্ড আৰু ভূটানৰ প্ৰধানমন্ত্ৰী চাৰিং টবগেই অনুষ্ঠানত উপস্থিত থাকে।

তদুপৰি, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, কংগ্ৰেছৰ নেতা মল্লিকাৰ্জুন খাৰ্গেকে ধৰি কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰীসকল উপস্থিত থাকে।

উল্লেখযোগ্য যে, নতুন কেন্দ্ৰীয় কেবিনেটৰ প্ৰথমখন বৈঠক আজি সন্ধিয়া অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। তদুপৰি আজি সকলো মন্ত্ৰীকে তেওঁলোকৰ দপ্তৰসমূহ বিতৰণ কৰা হ'ব।

০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্ত্ৰীসভাত কালি তৃতীয়বাৰৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। আনহাতে ৰাজ্যসভাৰ সাংসদ তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনৈতিক সচিব পবিত্ৰ মাৰ্ঘেৰিটাই কালি প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীৰ শপত লয়। ৰাষ্ট্ৰপতি ভৱনত আয়োজিত শপতগ্ৰহণ অনুষ্ঠানত দুয়োগৰাকী মন্ত্ৰীয়ে শপতগ্ৰহণ কৰি দেশৰ হকে সেৱা আগবঢ়াই যোৱাৰ সংকল্প লয়। কেবিনেট মন্ত্ৰী হিচাপে শপত লৈ শ্ৰী সোণোৱালে অসমবাসীৰ আশীৰ্বাদ শিৰত লৈ দেশমাতৃৰ প্ৰতি সমৰ্পিত সেৱা আগবঢ়াই যাবলৈ তেওঁ দৃঢ় সংকল্পবদ্ধ বুলি মত প্ৰকাশ কৰিছে। দেশক পুনৰ সেৱা কৰাৰ সুযোগ প্ৰদান কৰাৰ বাবে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে অসমবাসী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ ৰাইজক কৃতজ্ঞতা জনায়। বিগত ১০ বছৰত দেশত হোৱা অভূতপূৰ্ব উন্নয়নৰ বাবেই প্ৰধানমন্ত্ৰী মোদীৰ প্ৰতি দেশবাসীৰ আস্থা আৰু বিশ্বাস অটুট আছে বুলি উল্লেখ কৰি শ্ৰী সোণোৱালে কয় যে, অনাগত দিনবোৰত ভাৰতক বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতিলৈ ৰূপান্তৰ কৰাৰ বাবে এন ডি এ চৰকাৰ বদ্ধ পৰিকৰ। এই ক্ষেত্ৰত প্ৰতিগৰাকী মন্ত্ৰীয়ে উৎসৰ্গিত মনোভাৱেৰে দেশৰ বাবে কাম কৰি যাবলৈ দৃঢ় সংকল্পবদ্ধ বুলিও তেওঁ উল্লেখ কৰিছে। ভাৰতে এতিয়া শান্তি, সমৃদ্ধি আৰু প্ৰগতিৰ নতুন শিখৰত আৰোহণ কৰাৰ দিশত ক্ষীপ্ৰতাৰে আগবাঢ়িব বুলিও তেওঁ কয়। একেদৰে শ্ৰী মাৰ্ঘেৰিটাই তেওঁক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি দলৰ শীৰ্ষ নেতৃত্বক কৃতজ্ঞতা জ্ঞাপন কৰিছে। মন্ত্ৰীসভাত নতুনকৈ দায়িত্ব লাভ কৰা সাংসদগৰাকীয়ে আকাশবাণীৰ সংবাদদাতাৰ আগত সকলোৰে প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে ৰাষ্ট্ৰ নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণত তেওঁক সুযোগ দিয়াৰ বাবে ৰাজ্যবাসী আৰু বিজেপিৰ ৰাজ্যিক নেতৃত্বকো কৃতজ্ঞতা জ্ঞাপন কৰিছে। ৰাজনৈতিক যাত্ৰাত সহযোগিতা আগবঢ়াই অহা মাতৃ, পিতৃ, পত্নী আৰু বন্ধুবৰ্গকো তেওঁ ধন্যবাদ জ্ঞাপন কৰিছে। পূৰ্বতে দলে অৰ্পণ কৰি অহা দায়িত্বসমূহ নিষ্ঠাৰে পালন কৰাৰ দৰে নতুন দায়িত্বও সততা আৰু নিষ্ঠাৰে পালন কৰি যাব বুলি শ্ৰী মাৰ্ঘেৰিটাই প্ৰকাশ কৰিছে।

০০০০০০

ৰাষ্ট্ৰপতি ভৱনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰা চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ নেতাসকলৰ সন্মানাৰ্থে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি এটা নৈশ ভোজৰ আয়োজন কৰে। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি ৰাণিল ৱিক্ৰেমেসিংঘে, মালদ্বীপৰ ৰাষ্ট্ৰপতি ড° মহম্মদ মুইজ্জু, চিচিলিৰ উপ-ৰাষ্ট্ৰপতি আহমেদ আফিফ, বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাচিনা, মৰিছাছৰ প্ৰধানমন্ত্ৰী প্ৰবীন্দ কুমাৰ জুগনৌথ, নেপালৰ প্ৰধানমন্ত্ৰী পুষ্প কমল দাহাল প্ৰচণ্ড আৰু ভূটানৰ প্ৰধানমন্ত্ৰী চাৰিং টবগেই অনুষ্ঠানত উপস্থিত থাকে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সকলোকে নতুন চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণৰ আমন্ত্ৰণ গ্ৰহণ কৰা তথা গণতন্ত্ৰৰ উদযাপনত অংশ লোৱাৰ বাবে ধন্যবাদ জনায়। শ্ৰীমতী মুৰ্মুৱে কয় যে, তেওঁলোকৰ উপস্থিতিয়ে ভাৰতৰ **চুবুৰীয়া প্ৰথম নীতি** আৰু ভাৰত মহাসাগৰ খণ্ডৰ বাবে থকা **সাগৰ** দৃষ্টিভংগীক প্ৰমাণ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তৃতীয়বাৰৰ বাবে জনসাধাৰণৰ সেৱাৰ দৰে গধুৰ দায়িত্ব পালনত সফল হ'বৰ বাবে কামনা কৰে।

oooooo

ছিকিম ক্ৰান্তিকাৰী মৰ্চা এছ কে এমৰ নেতা প্ৰেম সিং টামাঙে আজি ছিকিমৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব। গেংটকৰ পালিজোৰ ষ্টেডিয়ামত বিয়লি ৪ বজাত শপতগ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব। ৰাজ্যপাল লক্ষণ প্ৰসাদ আচাৰ্যই শ্ৰীটামাং আৰু তেওঁৰ মন্ত্ৰীসভাৰ সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। শ্ৰী টামাঙে এইবাৰ দ্বিতীয়বাৰৰ বাবে শপতগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে, ছিকিম ক্ৰান্তিকাৰী মৰ্চাই বিধানসভাৰ ৩২ খনৰ আসনৰ ৩১ খনতেই জয়লাভ কৰাৰ বিপৰীতে ছিকিম ডেম'ক্ৰেটিক ফ্ৰণ্টে এখন আসন লাভ কৰিবলৈ সক্ষম হয়।

oooooo

ওড়িশাত পৰহিলৈ বিজেপিৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰীয়ে শপতগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। ৰাজ্যখনত আজি এই শপতগ্ৰহণ অনুষ্ঠান হোৱাৰ কথা আছিল যদিও মুখ্যমন্ত্ৰী নিৰ্বাচন চূড়ান্ত নোহোৱাত এই অনুষ্ঠান বুধবাৰলৈ পিছুৱাই দিয়া হৈছে। দলটোৰ নেতা যতীন মোহান্তি আৰু বিজয়পাল সিং টোমৰে কালি শপতগ্ৰহণ অনুষ্ঠান পিছুৱাই দিয়াৰ কথা সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। নেতাদ্বয়ে সদৰি কৰা মতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কেন্দ্ৰীয় চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠানত ব্যস্ত থাকিবলগীয়া হোৱাৰ বাবেই ৰাজ্যখনৰ শপতগ্ৰহণ অনুষ্ঠান দুদিন পিছুৱাই দিয়া হয়।

ইপিনে, ভাৰতীয় জনতা পাৰ্টীয়ে কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং আৰু ভূপেন্দৰ যাদৱক ওড়িশাৰ বিধায়িনী দলৰ নেতা নিৰ্বাচন কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে নিযুক্তি দিছে। বিজেপিয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে, সংসদীয় বোৰ্ডে এই নেতা দুগৰাকীক ওড়িশা বিধায়িনী দলৰ নেতা নিৰ্বাচন কৰাৰ সকলো দিশ পৰ্যবেক্ষণ কৰাৰ দায়িত্ব অৰ্পণ কৰিছে। কাইলৈ বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে।

বিজেপিৰ ৭৮ গৰাকী বিধায়কেৰে গঠিত বিধায়িনী দলৰ বৈঠকত নেতা নিৰ্বাচন কৰা হ'ব আৰু এই বৈঠকত দলৰ দুগৰাকী কেন্দ্ৰীয় পৰ্যৱেক্ষক উপস্থিত থাকিব। মুখ্যমন্ত্ৰীপদৰ বাবে সম্ভাব্য কেইবাগৰাকীও প্ৰাৰ্থীৰ নাম উচ্চাৰিত হৈছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য হৈছে ছবাৰৰ সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী জুৱেল অ'ৰাম, জ্যেষ্ঠ নেতা তথা সাংসদ ধৰ্মেন্দ্ৰ প্ৰধান, নৱনিৰ্বাচিত বিধায়ক ক্ৰমে সুৰেশ পূজাৰী, মোহন চৰণ মাঝি আৰু জম্মু-কাশ্মীৰৰ প্ৰাক্তন উপ-ৰাজ্যপাল তথা নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক গিৰীশ চন্দ্ৰ মুৰ্মু। উল্লেখযোগ্য যে ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰত বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে ওড়িশাৰ নতুন মুখ্যমন্ত্ৰীগৰাকী ভূমিপুত্ৰ হ'ব বুলি প্ৰতিশ্ৰুতি দিছিল।

বিজেপিয়ে ওড়িশাৰ বিধানসভা নিৰ্বাচনত মুঠ ১৪৭খন আসনৰ ভিতৰত ৭৮ খনত বিজয় সাব্যস্ত কৰে। আনহাতে বি জে ডিয়ে ৫১ খন, কংগ্ৰেছে ১৪ খন আৰু অন্যান্য দলে ৪খন আসন লাভ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, তেওঁৰ তৃতীয়টো কাৰ্যকালত ভাৰতে শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ হকে একেৰাহে কাম কৰি যাব। এই ক্ষেত্ৰত তেওঁ জনসাধাৰণৰ মাজত গভীৰ সম্পৰ্ক আৰু সংযোগ স্থাপনৰ বাবে আহ্বান জনায়। শ্ৰীমোদীয়ে তেওঁৰ শপতগ্ৰহণ অনুষ্ঠানৰ পাছত যোৱানিশা ৰাষ্ট্ৰপতি ভৱনত চুবুৰীয়া ৰাষ্ট্ৰ তথা ভাৰত মহাসাগৰ খণ্ডৰ নেতাসকলক সাক্ষাৎ কৰে। অনুষ্ঠানত উপস্থিত থকাৰ বাবে সকলোকে ধন্যবাদ জনাই প্ৰধানমন্ত্ৰীয়ে চুবুৰীয়া প্ৰথম নীতি আৰু সাগৰ দৃষ্টিভংগীৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। তেওঁ কয় যে, ভাৰতে আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত গোলকীয় দক্ষিণৰ কণ্ঠ সুদৃঢ় কৰি যাব।

আনহাতে বিদেশ পৰিক্ৰমা মন্ত্ৰ্যালয়ে কৈছে যে, শপতগ্ৰহণ অনুষ্ঠানত এই নেতাসকলৰ অংশগ্ৰহণে চুবুৰীয়া দেশৰ সৈতে ভাৰতৰ বন্ধুত্ব আৰু সহযোগিতাৰ গভীৰ সম্পৰ্ককে প্ৰতিফলিত কৰিছে।

ইফালে শপতগ্ৰহণ অনুষ্ঠানৰ পূৰ্বে এন ডি এৰ নেতাসকলৰ সৈতে নিজৰ চৰকাৰী বাসভৱনত চাহ মেলত মিলিত হৈ শ্ৰীমোদীয়ে পৰৱৰ্তী চৰকাৰৰ কাৰ্যকলাপ সন্দৰ্ভত আলোচনা কৰে। শ্ৰীমোদীয়ে নৱনিৰ্বাচিত তথা মন্ত্ৰীসভাত স্থানলাভ কৰা সাংসদসকলক অভিনন্দন জনাই তেওঁলোকক প্ৰত্যেককে ১০০ দিনৰ কৰ্মসূচী প্ৰস্তুতি কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০

মধ্য অসমত দুগ্ধ বিপ্লৱৰ সূচনা কৰা সীতাজখলাৰ কাইলৈ ৬৭ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হ'ব। এই উপলক্ষে দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ২০২৩ আৰু ২৪ বৰ্ষৰ সীতাজখলাৰ নন্দলাল উপাধ্যায় ৰাজ্যিক কৃষক বঁটা প্ৰদান কৰিব। উল্লেখযোগ্য যে ২০২৩ বৰ্ষৰ বাবে নন্দলাল উপাধ্যায় কৃষক বঁটা বাক্সা জিলাৰ উত্তৰ আঞ্চলিক জেনেৰেল পাগলাদিয়া ডাং-বান্দ কমিটিক প্ৰদান কৰা হ'ব। ২০২৪ বৰ্ষৰ বাবে লখিমপুৰৰ সান্দহখোৱাৰ লফা গাঁও উন্নয়ন সমিতিক এই বঁটা প্ৰদান কৰা হ'ব। আনহাতে সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিয়ে এইবেলি প্ৰথমবাৰৰ বাবে ৰাজ্যিক ভিত্তিত কৃষিক বিষয়বস্তু হিচাপে লৈ প্ৰেম বাহাদুৰ থাপা স্মাৰক চিত্ৰাংকণ আৰু বিষ্ণুলাল বজগাই স্মাৰক ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

০০০০০০

জম্মু-কাশ্মীৰৰ ৰিয়েছি জিলাৰ তিৰয়াথ গাঁৱৰ সমীপত কালি সন্ধিয়া সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত তীৰ্থযাত্ৰী কঢ়িওৱা এখন বাছ খাৱৈত বাগৰি পৰাৰ ফলত ১০ জন তীৰ্থযাত্ৰীৰ মৃত্যু হোৱাৰ লগতে ৩৩ জন আহত হয়। বাছখন শিৱ খ'ৰি পবিত্ৰ গুহা দৰ্শন কৰি কাট্ৰা অভিমুখে গৈ আছিল। ৰিয়েছিৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মোহিত শৰ্মাই কৈছে যে, বাছখনৰ চালকজনৰ গাত গুলী লগাৰ ফলত বাছখন নিয়ন্ত্ৰণহীন হৈ পৰে। আহত লোকসকলক তিৰয়াথ, ৰিয়েছি আৰু জম্মুৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰিস্থিতিৰ বুজ লোৱাৰ লগতে লেফটেনেণ্ট গৰ্ভনৰ মনোজ সিনহাক সঘনে পৰিস্থিতি নিৰীক্ষণ কৰাৰ লগতে আহত লোকসকলৰ সকলোধৰণৰ চিকিৎসা আৰু সাহায্য নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই ঘটনাত শোক প্ৰকাশ কৰি কয় যে, এয়া হৈছে মানৱতাৰ বিৰুদ্ধে এটা অপৰাধ। ৰাষ্ট্ৰপতিগৰাকীয়ে আঘাতপ্ৰাপ্তসকলৰ আশু আৰোগ্য কামনা কৰাৰ লগতে কয় যে, দেশ নিহত

সকলৰ পৰিয়ালৰ সৈতে আছে। কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে এই আক্ৰমণক গৰিহনা দিয়ে। তেওঁ জম্মু-কাশ্মীৰৰ লেফটেনেণ্ট গৰ্ভনৰ আৰু আৰক্ষী সঞ্চালক প্ৰধানক ঘটনাৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৭ বাজি ৪৫ মিনিটত **চলন্তিকা**ত নতুন ফৌজদাৰী আইন সন্দৰ্ভত মুখ্যমন্ত্ৰী তদাৰকী গোটৰ বিশেষ চৰকাৰী অধিবক্তা মাখন ফুকনৰ সৈতে হোৱা এটি কথোপকথন প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব হেমন্ত বৰাই।

০০০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন ৰোমাঞ্চকৰ খেলত কালি ভাৰতে পাকিস্তানক ৬ ৰানত পৰাস্ত কৰে। নিউয়ৰ্কৰ নাছাও কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ভাৰতে প্ৰথমে বেট ধৰি ১৯ অভাৰতে আটাইকেইটা উইকেট হেৰুৱাই ১১৯ ৰান সংগ্ৰহ কৰে। পাকিস্তানৰ হাৰিছ ৰৌফ আৰু নাছিম শ্বাহে তিনিটাকৈ আৰু মহম্মদ আমিৰে দুটা উইকেট দখল কৰে। পাকিস্তানে ১২০ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত কেৱল ১১৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ বুমৰাই তিনিটা, হাৰ্দিক পাণ্ডিয়াই দুটা আৰু অক্ষৰ পেটেল আৰু অৰ্শদীপ সিঙে এটাকৈ উইকেট দখল কৰে। বুমৰাহক মেন অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি বাংলাদেশ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

০০০০০০

ভাৰতৰ সুমিত নাগলে জাৰ্মানীত অনুষ্ঠিত হেইলব্ৰাণাৰ নেকৰকাপ চেলেঞ্জাৰ্ছ খিতাপ দখল কৰিছে। ফাইনেলত নাগলে ছুইজাৰলেণ্ডৰ আলেকজেণ্ডাৰ ৰিছাৰ্ডক ৬-১, ৬-৭, ৬-৩ ছেটত পৰাস্ত কৰে। এয়া হৈছে নাগলৰ ষষ্ঠ এ টি পি চেলেঞ্জাৰ্ছ খিতাপ। উল্লেখযোগ্য যে, এই জয়েৰে ভাৰতীয় খেলুৱৈগৰাকী পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰাটো প্ৰায় নিশ্চিত হ'ল।

০০০০০০

এন ডি এৰ সংসদীয় দলৰ নেতা নৰেন্দ্ৰ মোদীয়ে কালি দেশৰ প্ৰধানমন্ত্ৰী হিচাপে তৃতীয়বাৰৰ বাবে শপতগ্ৰহণ কৰে। ৰাষ্ট্ৰপতিভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে তেওঁক শপতবাক্য পাঠ কৰোৱায়। গুৱাহাটীৰ পৰা প্ৰকাশিত কেইবাখনো বাতৰি কাকতে এই বাতৰিটোক মুখ্য বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দৈনিক অসম কাকতে ৭১ গৰাকী সতীৰ্থসহ মোদীৰ শপত শীৰ্ষক শিৰোনামেৰে এই বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দৈনিক জনমভূমি কাকতে মোদী ৩.০ ঐতিহাসিক শপত শিৰোনামেৰে একেটা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। একেৰাহে তৃতীয়বাৰ ৰাজকীয় অভিষেক মোদীৰ শীৰ্ষক শিৰোনামেৰে দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতে একেটা বাতৰিটোক ৭২ জনীয়া মোদী মন্ত্ৰীসভাৰ শপত শীৰ্ষক শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন তৃতীয়টো কাৰ্যকালৰ এন ডি এ চৰকাৰত অসমৰ পৰা দুজন প্ৰতিনিধিয়ে স্থান লাভ কৰিছে। নিয়মীয়া বাৰ্তা কাকতে কেবিনেট মন্ত্ৰীৰূপে সৰ্বানন্দ সোণোৱালৰ চমক, ৰাজ্যিক মন্ত্ৰীৰূপে পবিত্ৰৰ চমক শীৰ্ষক শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। দা ছেণ্টিনেল কাকতে সোণোৱাল আৰু মাৰ্ঘেৰিটা মোদীৰ ৩.০ মন্ত্ৰীসভাত

অন্তৰ্ভুক্ত শীৰ্ষক শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক কেবিনেট মন্ত্ৰী সোণোৱাল, ৰাজ্যিক মন্ত্ৰী হিচাপে শপত ল'লে পবিত্ৰই শীৰ্ষক শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

শপতগ্ৰহণৰ পূৰ্বে আয়োজিত এখন চাহ মেলত মিলিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্ত্ৰীসকলক একাধিক নিৰ্দেশনা প্ৰদান কৰে। নতুন মন্ত্ৰীসভাৰ পৰা কি প্ৰত্যাশা, চাহ মেলত জনাই দিলে মোদীয়ে শীৰ্ষক শিৰোনামেৰে দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

প্ৰথমগৰাকী মহিলা মুছলমান বিধায়ক হিচাপে ওড়িশা বিধানসভালৈ নিৰ্বাচিত হৈ ৩২ বছৰীয়া ছোফিয়া ফিৰদৌছে ৰচিলে ইতিহাস। আমাৰ অসম কাকতে এই বাতৰিটোক সঞ্জনা ফিৰদৌছৰ ৰাজনৈতিক যাত্ৰাত ভাৰতীয় নাৰীৰ উত্থানৰ কাহিনী শীৰ্ষক শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

উত্তৰ-পূব যোৰহাট ক্ৰীড়া সন্থাৰ প্ৰাক্তন সভাপতি, প্ৰবীন খেলুৱৈ তথা ৰেফাৰী অমল বৰাৰ কালি নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৭ বছৰ। মটৰচাইকেল দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ তেওঁ প্ৰায় ৩ মাহ ধৰি সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছিল।

oooooo

সমাপ্ত